পূৰ্ণাংগ বিজ্ঞাপন এটা প্ৰস্তুত কৰোঁতে কি কি দিশত গুৰুত্ব দিব লাগে চমুকৈ লিখা।

উত্তৰ:- পূৰ্ণাংগ বিজ্ঞাপন এটা প্ৰস্তুত কৰোঁতে গুৰুত্ব দিবলগীয়া দিশ সমূহ হল —

১। শিৰোনাম
২। উপশিৰোনাম
৩। চিত্ৰপট
৪। ব্যৱসায়িক চিহ্ন
৫। বিক্ৰী কেন্দ্ৰৰ ঠিকনা

১। শিৰোনাম: বিজ্ঞাপন প্ৰস্তুত কৰোঁতে প্ৰস্তুতকৰ্তাই প্ৰথমতে আকৰ্ষণীয় আৰু কৌতুহলপূৰ্ণ শিৰোনাম নিৰ্বাচন কৰিব লাগে। শিৰোনামে বিজ্ঞাপন বাণীৰ মূল বক্তব্য প্ৰকাশ কৰে। বিজ্ঞাপনত শিৰোনাম ব্যৱহাৰ কৰিলে গ্ৰাহক সমাজ সহজতে আকৰ্ষিত হ'ব, যিহেতু বিজ্ঞাপনৰ প্ৰধান উদ্দেশ্য গ্ৰাহকক আকৰ্ষিত কৰা আৰু পণ্যসামগ্ৰীৰ চাহিদা বৃদ্ধি কৰা।

২। উপ-শিৰোনাম: বিজ্ঞাপন দীঘলীয়া হলে বিজ্ঞাপনৰ লগত সংগতি ৰাখি উপ-শিৰোনাম অন্তৰ্ভুক্ত কৰিব লাগে। ইয়াৰ ফলত পণ্য দ্ৰব্যৰ বিতং বিৱৰণে গ্ৰাহক সমাজক সহজতে আকৰ্ষিত কৰিব পাৰে। উপশিৰোনামৰ আকাৰ মূল শিৰোনামতকৈ সৰু হোৱাটো বাঞ্চনীয়।

৩। চিত্ৰ: গ্ৰাহকক আকৰ্ষিত কৰিবৰ বাবে বিজ্ঞাপনত চিত্ৰৰ সংযোজন কৰাটো নিশ্চয়ই প্ৰয়োজনীয়। পণ্যদ্ৰব্যৰ লগত জড়িত সামগ্ৰীৰ সম্পৰ্কে সঠিক চিত্ৰ সংযোজন হ'লে গ্ৰাহকক যিকোনো দ্ৰব্য কিনাৰ বাবে আকৃষ্ট কৰিব পাৰে।

৪। ব্যৱসায়িক চিহ্ন: ব্যৱসায়িক চিহ্ন বা ঠিকনাৰ জৰিয়তে গ্ৰাহকক দ্ৰব্যটো সম্পৰ্কে নিশ্চয়তা প্ৰদান কৰা হয়।

৫। বিক্ৰী কেন্দ্ৰৰ ঠিকনা: বিজ্ঞাপন প্ৰস্তুত কৰোঁতে পণ্য দ্ৰব্যৰ বিক্ৰী কেন্দ্ৰৰ ঠিকনা স্পষ্টকৈ উল্লেখ কৰিব লাগে। বিজ্ঞাপনত বিক্ৰী কেন্দ্ৰৰ ঠিকনা উল্লেখ থাকিলে গ্ৰাহক সমাজে পণ্য সামগ্ৰী বিচাৰি হাবাথুৰি খাব নালাগে।